# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদত ৩২৪ গৰাকী ছাত্ৰী থাকিব পৰা এটা অত্যাধুনিক ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় চৌহদত অধ্যাপকৰ আবাস প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। আজিৰ ব্যস্ত কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত প্ৰায় ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাখনো আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই প্ৰথমেই ১৪৬ কোটি ৪৩ লাখ টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আৰু পি এম ঊষা আঁচনিৰ অধীনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন আন্তঃগাঁথনিমূলক কাম-কাজৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আঁচনিৰ অধীনত বিশ্ববিদ্যালয়খনৰ আভ্যন্তৰীণ পথসমূহৰ সম্প্ৰসাৰণ আৰু মেৰামতি, ১৬ টা আবাসযুক্ত হাউছিং ব্লক, ক্ৰীড়া প্ৰাংগন আৰু ব্যায়ামাগাৰ নিৰ্মাণ কৰা হ'ব। একেদৰে প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান, চমুকৈ ঊষাৰ অধীনত ১৭৬ গৰাকী ছাত্ৰী থাকিব পৰা নিবাস, শৈক্ষিক ভৱন, শৈক্ষিক গৱেষণা কেন্দ্ৰ আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ সফল ৰূপায়ণৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপে অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক নতুন দৃষ্টিভংগীৰে অগ্ৰসৰ হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই তেওঁৰ ভাষণত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লগতে ৰাজ্যৰ ভালেকেইখন বিশ্ববিদ্যালয়ত আন্তঃগাঁথনি উন্নয়নৰ কাম আৰম্ভ হৈছে বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি নাহৰকটীয়াত ১৩০ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই অনুসৰি নাহৰকটীয়া সম জিলা আয়ুক্ত কাৰ্যালয়, নামৰূপ-নাহৰকটীয়া পথ উৰণ সেতু, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱন, কুঁৱৰীগাঁও উচ্চ মাধ্যমিক বিদ্যালয় ভৱন আৰু হকী ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত পৰিবহণ মন্ত্ৰী যোগেন মহন,  দক্ষতা, নিয়োগ আৰু উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ উপস্থিত থাকে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াৰ স্বাস্থ্যৰ আজি বুজ লয়। মুখ্যমন্ত্ৰীয়ে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সাহিত্য একাডেমী বঁটা বিজয়ী ড° শইকীয়াৰ সৈতে কিছু সময় কটায় আৰু তেওঁৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সাহিত্যিকগৰাকীৰ চিকিৎসাৰ বাবে সকলো সা-সুবিধা আগবঢ়াবলৈ চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সঞ্জীৱ কাকতি আৰু আন চিকিৎসকসকলক পৰামৰ্শ দিয়ে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল গাঁৱত বাস কৰা দখলকাৰীসকলক সাত দিনৰ ভিতৰত গাঁও এৰিবলৈ বন বিভাগে জাননী জাৰি কৰিছে। বন বিভাগৰ দলে আজি ঘৰে ঘৰে গৈ এই জাননী বিতৰণ কৰে। গোলাঘাট সংমণ্ডলৰ বন বিষয়াই জাৰি কৰা এই জাননীত এই লোকসকলে জামুগুৰি আঞ্চলিক বন কাৰ্যালয়ৰ অন্তৰ্গত দৈয়াং সংৰক্ষিত বনাঞ্চল এলেকাত অবৈধভাৱে প্ৰৱেশ কৰি বনাঞ্চল ধ্বংস কৰি গৃহ নিৰ্মাণৰ লগতে বনভূমিক কৃষিভূমিলৈ ৰূপান্তৰ কৰিছে বুলি কোৱা হৈছে। সংৰক্ষিত বনাঞ্চলত অনুমতি নোহোৱাকৈ বসবাস কৰাৰ বাবে তেওঁলোকক শীঘ্ৰেই এই বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে এই জাননী দিয়াৰ সময়ত বহুসংখ্যক লোক ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। বন বিভাগৰ এই জাননী পক্ষপাতিত্বমূলক বুলি অভিযোগ কৰি জাননী লাভ কৰা লোকসকলে উচ্ছেদৰ জাননী ফালি পেলাই বুলিও আমাৰ সংবাদদাতাই জনাইছে।

উৰিয়ামঘাট অঞ্চলত বাস কৰা সন্দেহযুক্ত নাগৰিকক উচ্ছেদৰ বাবেও বনবিভাগে ইতিমধ্যে জাননী জাৰি কৰিছে। উচ্ছেদৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ উৰিয়ামঘাটত পৰিস্থিতিৰ বুজ ল'ব। বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে কেইবাশ দখলকাৰীয়ে উৰিয়ামঘাটৰ পৰা অন্য ঠাইলৈ ৰাওনা হৈছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। বন বিভাগৰ জাননী অনুসৰি অহা ২৭ জুলাইৰ পৰা সেই স্থানত উচ্ছেদ চলোৱা হ'ব।

ooooo

কাছাৰ জিলাৰ কালাইনৰ সিন্দূৰা বনভোজ থলী পৰ্যটকৰ বাবে সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। যোৱা দেওবাৰে সিন্দূৰা নৈত পৰি শ্ৰীভূমিৰ দুজন যুৱকৰ মৃত্যুৰ পাছতে জিলা প্ৰশাসনে এই সিদ্ধান্ত গ্ৰহণ কৰে। কাটিগড়া ৰাজহ চক্ৰৰ অন্তৰ্গত এই বনভোজ থলীত প্ৰয়োজনীয় নিৰাপত্তাৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সেই ঠাইত জনসাধাৰণৰ প্ৰৱেশ নিষিদ্ধ কৰিছে। জিলা আয়ুক্ত মৃদুল যাদৱে এই সংক্ৰান্তীয় নিৰ্দেশনা জাৰি কৰি কয় যে প্ৰয়োজনীয় সাৱধানতা অবিহনে এনে স্থানত জনসাধাৰণে মুক্তভাৱে ঘূৰা-ফুৰা কৰাৰ ফলত বিপদৰ সন্মুখীন হ'ব পাৰে। এই নিৰ্দেশৰ উলংঘা কৰিলে দুৰ্যোগ ব্যৱস্থাপনা আইনৰ ধাৰাৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

ooooo

বৰখলা বিধানসভা সমষ্টিৰ উজান নগৰত আজি এজন ১৫ বছৰীয়া কিশোৰৰ বজ্ৰ পৰি মৃত্যু ঘটে। মুজমিন আহমেদ মজুমদাৰ নামৰ কিশোৰজনে আজি পুৱা বৰষুণৰ সময়ত খেতিপথাৰত হাল বাই থকা অৱস্থাতে দুৰ্ঘটনাটো সংঘটিত হয়। পাছত বৰখলাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত কৰ্তব্যৰত চিকিৎসকে কিশোৰজনক মৃত্যু বুলি ঘোষণা কৰে।

ooooo

সমাপ্ত